# লক্ষ্মীনাথ বেজবৰুৱাৰ কবিতাত নৈতিকতাৰ প্ৰসংগঃ এটি বিশ্লেষণাত্মক অধ্যয়ন

**অধ্যাপক অজিত ভৰালী**
অসমীয়া বিভাগ
কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়
Email: abharali@kbvsasun.ac.in

**সংক্ষিপ্তসাৰ**

লোককবিতাত যিদৰে নৈতিকতাৰ প্ৰসংগ আছে ঠিক সেইদৰে আধুনিক অসমীয়া কবিতাতো নৈতিকতাৰ প্ৰসংগ আছে। জোনাকী যুগৰ প্ৰধান কবি লক্ষ্মীনাথ বেজবৰুৱাই সাহিত্যৰ বিভিন্ন বিভাগৰ জৰিয়তে স্বদেশপ্ৰেমৰ বাণী প্ৰচাৰ কৰাৰ বাবে নৈতিকতাৰ প্ৰসংগ অনা দেখা যায়। ধৰ্ম গ্ৰন্থসমূহৰ জৰিয়তে নৈতিকতাৰ দিশ উন্মোচিত হোৱাৰ দৰে বেজবৰুৱাৰ ৰোমাণ্টিক কবিতাৰ মাজতো এই দিশ উন্মোচিত হৈছে। লক্ষ্মীনাথ বেজবৰুৱাৰ 'কদমকলি' কবিতা পুথিৰ কবিতাৰ মাজত থকা নৈতিকতাৰ দিশবিলাক এই গৱেষণা পত্ৰৰ জৰিয়তে বিশ্লেষণাত্মক পদ্ধতিৰে বিশ্লেষণৰ প্ৰয়াস কৰা হৈছে।

**সূচক শব্দঃ** নৈতিকতা, কবিতা, কৰ্ম, লক্ষ্মীনাথ বেজবৰুৱা।

**প্ৰস্তাৱনা**

অসমীয়া লোক-সাহিত্যৰ অন্তৰ্গত বিভিন্ন শাখা-প্ৰশাখাৰ ভিতৰ ভাগত প্ৰৱেশ কৰিলে দেখা যায়-প্ৰায়বিলাক লোক-সাহিত্য লোকৰ? ন, লোক শিক্ষা, সামূহিক অভিজ্ঞতা, লোক ধৰ্ম প্ৰকাশ কৰিবলৈ ৰচনা কৰা হৈছিল। বিষয়বস্তু আৰু আংগিক দুয়ো দিশতে অসমীয়া সাহিত্যও বিশ্বৰ অন্যান্য সাহিত্যৰ দৰে লোক-সাহিত্যৰ ওচৰত ধৰুৱা। প্ৰকৃতি আৰু গোষ্ঠীগত সংঘৰ্ষৰ আধাৰত লাভ কৰা বাস্তৱ অভিজ্ঞতাক প্ৰকাশ কৰিবলৈ যাওঁতে লোক কবিয়ে নৈতিকতাৰ প্ৰসংগ আনিছিল।

সময়ৰ পৰিৱৰ্তনৰ লগে-লগে সৃষ্টি হোৱা লিখিত সাহিত্যৰ মূল বিষয়েই আছিল ধৰ্মৰ জয় আৰু অধৰ্মৰ পৰাজয় দেখুওৱা। চৰ্যাপদৰ পৰা আৰম্ভ কৰি মাধৱ কন্দলি, শংকৰদেৱ, মাধৱদেৱ, ৰামসৰস্বতী, ভট্টদেৱলৈকে এই সুদীৰ্ঘ কালচোৱাত ৰচিত সাহিত্যৰ মূল উদ্দেশ্য ধৰ্ম প্ৰচাৰ যদিও তাৰ যোগেদিও নৈতিকতাৰ বাণী বিয়পাবলৈ প্ৰয়াস কৰিছিল। শংকৰোত্তৰ যুগৰ লেখকসকলৰো উদ্দেশ্য নৈতিকতাৰ দিশৰ পৰা ফালৰি কাটি অহা নাছিল। খ্ৰীষ্টান মিছনেৰীসকলে অৰুণোদই সংবাদপত্ৰৰ জৰিয়তে খ্ৰীষ্টান ধৰ্মৰ প্ৰচাৰ-প্ৰসাৰ কৰাৰ লগতে বিদ্যালয়ৰ পাঠ্যপুথি, বিজ্ঞানৰ পুথি, উপন্যাসধৰ্মী কাহিনী, পদ্য আদিৰ মাজেদি নৈতিক শিক্ষা দিবলৈয়ো চেষ্টা কৰিছিল। ৰোমান্টিক যুগৰ বতৰা কঢ়িয়াই অনা

জোনাকীয়ে অসমীয়া ভাষা-সাহিত্যৰ সকলো দিশতে বিকাশ কৰাৰ উদ্যোগ ল'লে। সম্পূৰ্ণ নতুন বৈশিষ্ট্যৰে মহিমামণ্ডিত হৈ পৰা এই আলোচনীৰ মাজতো নৈতিকতাৰ বিবিধ প্ৰসংগ প্ৰকাশিত হ'ল। জোনাকীৰ পৰা বাঁহী, আৱাহন, মনিদীপ, ৰামধেনু, প্ৰকাশ, গৰীয়সীলৈ-এই আলোচনীসমূহত প্ৰকাশিত কবিতা, প্ৰবন্ধ, উপন্যাস, গল্প নাটক আদিতো নৈতিকতাৰ (প্ৰত্যক্ষ বা পৰোক্ষ) প্ৰসংগ আছে।

দ্বিতীয় বিশ্বযুদ্ধৰ পৰৱৰ্তীস্তৰত মানুহৰ মনত উদয় হোৱা 'ঈশ্বৰ আছে নে নাই' প্ৰশ্নই আমাৰ সাতাম পুৰুষীয়া মূল্যবোধৰ ওপৰত প্ৰশ্ন উত্থাপন কৰিছিল যদিও সেই কথা অমিমাংসিত হৈ ৰ'ল। যিমানেই আধুনিক মনৰ মানুহ নহওঁক কিয় আমাৰ ঘাই শিপাডাল মহাকাব্য, পুৰাণ, বেদ-উপনিষদৰ সৈতে সংযুক্ত হৈ থকাৰ বাবেই নৈতিকতাৰ প্ৰসংগ সাহিত্যিকসকলে উপেক্ষা কৰিব নোৱাৰে।

লক্ষ্মীনাথ বেজবৰুৱা আছিল প্ৰাচীন মূল্যবোধ আৰু আধুনিক চিন্তা-চেতনাৰ সমন্বয়ৰ সাকোঁ গঢ়োতা এজন ব্যক্তি। নামঘৰৰ মণিকূটত সযতনে থোৱা কীৰ্তন, নামঘোষা, ভাগৱতক নতুন দৃষ্টিভংগীৰে (মূলৰ হানি নোহোৱাকৈ) ব্যাখ্যা কৰিবলৈ প্ৰয়াস কৰা ব্যক্তি। লোক সাহিত্যৰ বিবিধ দিশ নখ দৰ্পনত থকা বেজবৰুৱাই 'বুঢ়ী আইৰ সাধুৰ' পাতনিত যি তথ্য আৰু বিশ্লেষণ আগবঢ়াইছে সিয়েই প্ৰমাণ কৰে তেওঁৰ আধুনিকতাবাদী মনটো; নৈতিকতাৰ শিপাডালৰ লগত থকা তেওঁৰ গভীৰ সম্পৰ্কক।

**অধ্যয়নৰ লক্ষ্য, উদ্দেশ্য আৰু তাৎপৰ্যঃ**

নৈতিকতাৰ বিবিধ প্ৰসংগ লক্ষ্মীনাথ বেজবৰুৱাৰ কবিতাত কিদৰে প্ৰতিফলিত হৈছে তাক চালি-জাৰি চোৱাই আমাৰ গৱেষণা পত্ৰৰ লক্ষ্য আৰু উদ্দেশ্য। আমাৰ কাব্য সাহিত্যৰ ঘাই শিপাডাল মহাকাব্য, পুৰাণ, উপনিষদ, পঞ্চতন্ত্ৰৰ লগৰ সাঙোৰ খাই আছে। গীতা, ভাগৱত আদিত যিদৰে নৈতিকতা, সমাজৰ কৰণীয়-অকৰ্ণীয়, নিষ্কাম কৰ্মৰ বিষয়ে আছে ঠিক সেইদৰে-লক্ষ্মীনাথ বেজবৰুৱাৰ ভালে সংখ্যক কবিতাত এই দিশবোৰক আলোকপাত কৰা হৈছে। আমাৰ অধ্যয়নৰ জৰিয়তে এই দিশবোৰ পোহৰলৈ অনাই অধ্যয়নৰ মূল তাৎপৰ্য।

**পৰিসৰ**

আমাৰ আলোচনাৰ পৰিসৰ লক্ষ্মীনাথ বেজবৰুৱাৰ 'কদমকলি' কবিতাৰ পুথিত সন্নিবিষ্ট কবিতাৰ মাজতেই সীমাবদ্ধ থাকিব।

**পূৰ্বকৃত অধ্যয়নৰ খতিয়ান**

লক্ষ্মীনাথ বেজবৰুৱাৰ কবিতা সম্পৰ্কে-মহেশ্বৰ নেওগ সম্পাদিত 'লক্ষ্মীনাথ বেজবৰুৱা' (অসম প্ৰকাশষণ পৰিষদ), প্ৰফুল্ল কটকীৰ 'সাহিত্যৰথী' (জ্যোতি প্ৰকাশ), নগেন শইকীয়া সম্পাদিত লক্ষ্মীনাথ বেজবৰুৱাৰ ৰচনাৱলী'ৰ ভূমিকা অংশ, নিত্যা বৰা সম্পাদিত বেজবৰুৱা ৰচনাৱলীৰ 'পাতনি', মহেশ্বৰ নেওগৰ 'অসমীয়া সাহিত্যৰ ৰূপৰেখা', সত্যেন্দ্ৰনাথ শৰ্মাৰ 'অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত আদি গ্ৰন্থত উল্লেখ আছে যদিও নীতিশিক্ষা বিষয়ক বেজবৰুৱাৰ কবিতাৰ দিশত সুকীয়া আলোচনা আজি পৰ্যন্ত্য আমাৰ চকুত পৰা নাই।

**বিষয়বস্তুৰ বিশ্লেষণ**

লক্ষ্মীনাথ বেজবৰুৱাৰ কবিতাত নীতি শিক্ষাৰ বিষয়ে আলোচনা কৰাৰ পূৰ্বতে- নৈতিকতা শব্দৰ অৰ্থ আৰু ই কেনেদৰে সৃষ্টি হৈছে তাক চাব বিচাৰিছোঁ। আধুনিক অসমীয়া অভিধান মতে (পৃ.২৭৩) 'নৈতিক' শব্দৰ অৰ্থ হ'ল-নীতি সম্বন্ধীয় ; নীতি যুক্ত। চলন্ত অভিধানৰ (পৃ.৬২৫) মতে নীতি সম্পৰ্কীয়। নৈতিক শব্দটো গঠিত হৈছে-

নীতি + ইকন (প্ৰত্যয়)+ ক = নৈতিক

আৰু নৈতিকতা সম্পন্ন হৈছে এনেদৰে

নৈতিক + তা (প্ৰত্যয়) = নৈতিকতা

এতেকে দেখা যায় য'ত নীতি সম্পৰ্কীয় কথা-বতৰা বা উপদেশ থাকে আৰু সেই উপদেশে ব্যক্তি আৰু সমাজৰ মংগল সাধন কৰি চৰিত্ৰৰ বিকাশত, মূল্যবোধৰ সৃষ্টিত গুৰুত্ব প্ৰদান কৰে সেইয়াই নৈতিকতাৰ শিক্ষা; ডাকৰ বচনৰ পৰা পঞ্চতন্ত্ৰলৈ, মহাকাব্য পুৰাণৰ পৰা আধুনিক সাহিত্যলৈকে নৈতিকতা আৰু মূল্যবোধৰ শিক্ষা প্ৰচাৰ -প্ৰসাৰৰ প্ৰয়াস দেখা যায়।

জোনাকী যুগৰ সাহিত্যৰ এটি প্ৰধান বিশেষত্ব আছিল- স্বদেশপ্ৰেম। স্বদেশপ্ৰেমৰ বাণী প্ৰচাৰ কৰিবলৈ যাওঁতেই দেশৰ লোকসকলে কি কৰিব লাগে আৰু কি কৰিব নালাগেৰ প্ৰসংগতে নৈতিকতাৰ কথা আনিছে। জোনাকীৰ ত্ৰিমূৰ্তিৰ অন্যতম কবি লক্ষ্মীনাথ বেজবৰুৱাৰ কবিতাত স্বদেশ প্ৰেম, প্ৰকৃতিপ্ৰীতি, প্ৰকৃতিত প্ৰিয়াৰ ৰূপদৰ্শন, বিস্ময় ভাৱৰ নৱজাগ্ৰত চেতনা, কল্পনা প্ৰীতি, অতি প্ৰাকৃত উপাদান, লোকভাষাৰ প্ৰয়োগ, উপমা আৰু চিত্ৰধৰ্মী বৰ্ণনা আদি দেখিবলৈ পোৱা যায়। তেখেতৰ কাব্যগ্ৰন্থ দুখন-'কদমকলি' আৰু 'পদুমকলি'। 'পদুমকলি' মৰণোত্তৰভাৱে প্ৰকাশিত গ্ৰন্থ। কদমকলি (১৯১৩ খ্ৰীষ্টাব্দত প্ৰকাশিত) ৰ কবিতাসমূহ জোনাকীৰ পৰা 'বাঁহী' আলোচনীত প্ৰকাশিত হৈছিল। বেজবৰুৱাৰ কবিতাসমূহক চাৰিটা শ্ৰেণীত ভাগ কৰিব পাৰি[১] -

১) প্ৰেম-প্ৰীতিমূলক কবিতা

২) জাতীয়ভাৱ প্ৰকাশক কবিতা

৩) নীতিধৰ্মমূলক কবিতা আৰু

৪) ব্যঙ্গ বা খুহুটীয়া কবিতা

দেখা যায় জাতীয়তাবাদ আৰু মানৱতাবাদ এই দুয়োটি ভাৱ ধাৰাই ৰমন্যাসিক আদৰ্শ হিচাপে প্ৰতিফলিত হৈছিল আৰু জোনাকী যুগৰ কবিতাত তিনিটা প্ৰধান আদৰ্শ আৰু ভাৱধাৰা দেখা যায়[২]-

ক) দেশপ্ৰেম

খ) মানৱতাবাদ

গ) ঐতিহ্য আৰু ভাৱবাদী দৰ্শনৰ প্ৰতি আস্থাশীলতা

লক্ষ্মীনাথ বেজবৰুৱাৰ নীতিধৰ্মমূলক কবিতা কেইটিমান হ'ল- 'ভদ্ৰতা', 'কৰ্ম', 'কৰ্মৰ আত্মা প্ৰতিদান', 'এলাহৰ দৰব', 'সৰু আৰু বৰ', 'তোমাৰ কাম', 'কৃতিত্ব', 'উন্নতিৰ জখলা', 'লক্ষ্য', 'মান-অপমান' আৰু 'এতিয়াই'। উল্লিখিত শিৰোনামৰ কবিতা কেইটি কলেৱৰত সৰু। সৰু হ'লেও কবিতাবোৰ স্বযংসম্পূৰ্ণ। দুটিমান কবিতাৰ ব্যাখ্যা কৰিলেই বেজবৰুৱাই কবিতাৰ জৰিয়তে কিদৰে নীতিশিক্ষাৰ বাণী প্ৰচাৰ কৰি সমাজ সংস্কাৰ কৰিবলৈ বিচাৰিছিল-সেয়া স্পষ্ট হৈ পৰিব।

ভদ্ৰ হোঁৱা, ভদ্ৰ হোঁৱা ভদ্ৰ হোৱাঁ ভাই!
আনৰো ভদ্ৰতা সি আনিব জগাই।[৩] (ভদ্ৰতা)

এই কবিতাটো শিশু উপযোগী পদ্য বুলি কোনোবাই ক'ব খুজিলেও বিষয়বস্তু ডাঙৰ-সৰু সকলোৰে বাবে প্ৰযোজ্য। নিজে ভদ্ৰ হ'লে আনৰ মনতো ভদ্ৰ ব্যৱহাৰ কৰিবৰ বাবে মনত প্ৰেৰণা জগায়। এজনৰ ভদ্ৰ ব্যৱহাৰে আনকো ভদ্ৰ ব্যৱহাৰ কৰিবলৈ বাধ্য কৰায়। আমাৰ দৈনন্দিন জীৱনত ভদ্ৰ ব্যৱহাৰ, ভদ্ৰ কথা-বতৰাই আনৰ সন্মুখত নিজৰ ব্যৱহাৰৰ পৰিচয় দিয়ে। নৈতিকতাৰ মূল এটি দিশ হ'ল আমাৰ ভদ্ৰ ব্যৱহাৰ। কথাতে কয় "আপোনাৰ ব্যৱহাৰেই আপোনাৰ পৰিচয়।" অৰ্থাৎ আপোনাৰ (নিজৰ)ব্যৱহাৰেই নিজৰ পৰিচয় প্ৰদান কৰে। ভদ্ৰ ব্যৱহাৰ এজন ব্যক্তিৰ চৰিত্ৰৰ ভূষণ স্বৰূপ। নিজে ভদ্ৰ ব্যৱহাৰ কৰিলে আনেও ভদ্ৰ ব্যৱহাৰ কৰিবলৈ বিচাৰিব আৰু তেতিয়াই সমাজত শান্তি-শৃংখলা বিৰাজ কৰিব।

গীতাৰ মূল বাণীৰ অৰ্থ হ'ল কৰ্ম কৰিবা; কিন্তু ফল প্ৰাপ্তিৰ আশা নকৰিবা। এই বাণীকেই লক্ষ্মীনাথ বেজবৰুৱাই 'কৰ্ম' আৰু 'কৰ্মৰ আত্মা প্ৰতিপাদন' নামৰ দুটি সৰু কবিতাৰ জৰিয়তে দাঙি ধৰিছে। দুয়োটি কবিতা কৰ্ম বিষয়ক যদিও বক্তব্য বিষয় পৃথক।

কাম কৰাঁ মন-প্ৰাণ ঢালি
সুফল আজি বা নতু কালি। (কৰ্ম) [বৰা ৬৭]

ইয়াত মন-প্ৰাণ ঢালি অৰ্থাৎ নিমগ্ন হৈ কাম কৰিলে আজি নহ'লেও কালিলৈ সুফল পোৱা যাব বুলি কৈছে। কামত ফল প্ৰাপ্তিৰ আশাতকৈ কাম কৰি যোৱাটোহে আমাৰ দায়িত্ব। কাম-কামেই। কামৰ সৰু-বৰো নাথাকে। যিয়ে যেনে কাম কৰে তেনে ফলেই লাভ কৰে। দুদিন দেৰি হ'লেও কাম কৰাৰ এদিন ফল পোৱা যায়েই । সুকাম কৰিলে সুফল আৰু কুকাম কৰিলে কু ফল পোৱা যায়। এয়া নৈতিকতাৰে প্ৰসঙ্গ। নীতি-শিক্ষা। এই নীতি শিক্ষাই আমাৰ মূল্যবোধ গঢ়ি তোলে। বেজবৰুৱাৰো মূল উদ্দেশ্য আছিল নৱ প্ৰজন্মৰ মাজত মূল্যবোধৰ শিক্ষা বিয়পাই এখন সুস্থ সমাজ গঢ়ি তোলা। সেই কাম কৰিবলৈকে তেওঁ কৃপাবৰৰ আশ্ৰয় লৈ বিমল হাস্য-ব্যঙ্গ মূলক সাহিত্য ৰচনা কৰিছিল। সেই ৰচনা বিলাকৰো মূল উদ্দেশ্য আমাক প্ৰকৃত পথৰ সন্ধান দিয়া আৰু আমাৰ ভুলবোৰ আঙুলিয়াই দেখুৱাই সময় থাকোতেই শুধৰণি কৰাৰ।

'কৰ্ম' বিষয়ক দ্বিতীয় কবিতাটোত নিজৰ কাৰ্যৰ গুণা-গুণ ব্যাখ্যা কৰি এক মুহূৰ্তও ব্যয় নকৰিবলৈ উপদেশ দিছে। নিজৰ কাৰ্যৰ গুণা-গুণ ব্যাখ্যা কৰি যিমানেই নিজৰ প্ৰচাৰ চলোৱা নাযাওক কিয়- এদিন মানুহে সচাঁটো উপলদ্ধি কৰিবই, বুজি পাবই। কাৰণ আমি কৰা কাৰ্যৰ ফল এদিন প্ৰকাশিত হ'বই। সেয়ে বেজবৰুৱাই লিখিছে-

মুহূৰ্তেকো ব্যয় নকৰিবা
নিজ কাৰ্যগুণ ব্যাখ্যা কৰি,
কাৰ্যে নিজে প্ৰকাশ কৰিব,
নোৱাৰিবা তুমিতো চিয়ঁৰি। (কৰ্মৰ আত্ম প্ৰতিপাদন) [বৰা ৬৭]

ব্যক্তিৰ উন্নতিৰ প্ৰধান অন্তৰায় এলাহ। এলাহ নিহালি এৰি যিয়ে লক্ষ্য স্থিৰ কৰি লক্ষ্য প্ৰাপ্তিৰ সাধনাত নিমগ্ন হয়-তেওঁ এদিন নহয় এদিন সুফল পায়েই। যিজনে কাম-বন নকৰি এলাহ সাবটি থাকে তেওঁ ৰসাতলে যায়। জীৱনটো ধেমালি বুলি ভাবিব নালাগে। কাম কৰি যাব লাগে। যিয়েই যি নকওঁক কিয় এই জীৱন কেৱল সপোন নহয়। মন কৰিবলগীয়া কথাটো হ'ল যিজন কবিয়ে "ভাবৰে প্ৰতিমা/ ভাবতে বাঢ়িছে/ ভাবৰে বেহানি কৰে" বুলি মালতীত উল্লেখ কৰিছে সেই একেজন কবিয়েই এন্টি ৰোমান্টিক চিন্তাৰ জৰিয়তে জীৱন

মানেই সপোন নহয় বুলিও কৈছে। সপোন দেখিব লাগিব। কিন্তু বাস্তৱক উপেক্ষা কৰি কেৱল সপোনৰ পাছত দৌৰিলে জীৱনত যে সফলতা পোৱা নাযায় সেই নীতি শিক্ষাৰ বাণী তেওঁ কবিতাৰ জৰিয়তে এনেদৰে প্ৰকাশ কৰিছে-

জীৱনক ধেমালি নাভাবি
কৰি যোৱা প্ৰাণটাকি বন,
বখানক যেয়ে যিহকে কৈ,
ই জীৱন নহয় সপোন।
সকলো যে কামত মগন,
দিনে-ৰাতি শাতি-শুৰ্তি নাই,
এলাহ সাবটি থকাজন
পলে পলে ৰসাতলে যায়। (এলাহৰ দৰব) [বৰা ৬৭]

জীয়াই থাকিবলৈ সংগ্ৰাম কৰিবই লাগিব। প্ৰকৃতিয়েও সংগ্ৰাম কৰিয়েই জীয়াই থাকে। 'যোগ্য ভোগ্য বসুন্ধৰা'। যিজন যোগ্য সেইজন ব্যক্তিয়েহে এই পৃথিৱীত উপভোগ কৰিবলৈ পাৰে। আদিম কালৰে পৰা মানুহৰ সংগ্ৰাম চলি আহিছে প্ৰকৃতিৰ লগত, কোনো গোষ্ঠীৰ লগত, দেৱতাৰ লগত। এনে স্থলত আমিনো কোন-সংগ্ৰাম নকৰাকৈ জীৱন পাৰ কৰিবলৈ! বেজবৰুৱাই যিজন সকলোতে পাকৈত আৰু বিচক্ষণ সেইজনকে ক'বলৈ কৈছে-

কোৱাঁ সঁচাকৈয়ে বাৰু হেৰা বিচক্ষণ!
সংগ্ৰামবিহীন প্ৰাণ কিহৰ কাৰণে?
জনমৰে পৰা চোঁৱা মৃত্যু পৰিমিত
সাধুজনে যুজঁ কৰাঁ বিধিৰ বিহিত।
তেন্তে কিয় পাছ ভৰি, নকৰি সংগ্ৰাম?
সংগ্ৰাম আৰাম হেৰা! সংগ্ৰাম আৰাম। (সংগ্ৰাম) [বৰা ৬৭]

কেৱল উপদেশ দিয়া মানুহৰ সংখ্যা নগন্য নহয়। কাম-কৰিব লাগে বুলি সকলোৱে কয়-কিন্তু কি কাম কৰিব লাগে, কেনেকৈ কৰিব লাগে-ক'ত শিকিব লাগে, সেই পথৰ সন্ধান আঙুলিৰ পাবতে লিখিব পৰা কেইজনমানেহে দিয়ে। কামৰ সৰু-বৰ নাই, উচ্ছ-নীচ নাই। কামৰ জৰিয়তেহে সমাজত উন্নত আসন পোৱা যায়।এলেহুৱা জনহে নীচ। সৰু কাম কৰাজনো কবিৰ মতে সন্মানৰ গৰাকী-

কামৰেইহে উন্নত আসন,
ওখ সৰু ভেদ বিনাশন।

পাচি সজা, কামি চঁচা, টঙাল তুলুৱা,
সন্মানৰ কাম, নীহ মাথোঁ এলেহুৱা। (সৰু আৰু বৰ) [বৰা ৬৮]

নিজে নিজৰ ৰিপুবোৰ কৰিব পাৰি। ৰিপু দমন কৰিবলৈ দৃঢ় সাধনাৰ প্ৰয়োজন। সাধনা নহ'লে এদিনতে এয়া সম্ভৱ নহয়। কথাতে কয় 'ভুকুতে কল নপকে'। সাধনাত সিদ্ধি লাভ কৰিবলৈ হ'লে আত্মমান, আত্মজ্ঞান আৰু নিজক দমন কৰিব লাগিব। ইয়ে উন্নতিৰ সুঁতি-

আত্মমান, আত্মজ্ঞান, আপোন দমন
এই তিনি উন্নতিৰ সুঁতি,
নাই ভয় কৰি যোৱা কাম,
সংসাৰত হ'বা তুমি কৃতী। [বৰা ৬৯]

ভাৰতীয় আধ্যাত্মিকতাৰ এটি মূল দিশ হ'ল পৰ উপকাৰ আৰু পৰসেৱা। পৰোপকাৰ আৰু পৰসেৱাৰ জৰিয়তে জীৱই ইহ সংসাৰৰ মায়া-মোহৰপৰাও মুক্তি পাই বুলি আজিও বিশ্বাস চলি আছে। আনৰ উপকাৰ কৰিবলৈ হ'লে নিজৰ তুচ্ছ স্বাৰ্থ ত্যাগ কৰিবলগীয়া হয়।

পৰ উপকাৰ হওক জীৱনৰ ব্ৰত
পৰসেৱা হওক মোৰ কাম,
পৰৰ মৰম আৰু আশীৰ্বাদ লৈ,
যেন মোৰ শৰীৰ পেলাম। (উচ্চ আশা) [বৰা ৬৯]

পৰৰ মৰম আৰু আশীৰ্বাদ পাবলৈ পৰৰ প্ৰতি কাম কৰিব লাগিব। ভাল মাত-কথা, ভাল আচাৰ-ব্যৱহাৰ, সুখে-দুখে এষাৰ মাত, আনক মনোকষ্ট নিদিয়া কাম, আনৰ ধন-সম্পত্তিলৈ লোভ কৰাৰ চিন্তা, পৰৰ ধনেৰে নিজৰ সুখ-স্বাচ্ছন্দ্যৰ জীৱন কটোৱা, পৰক নিন্দা কৰা-; পৰ ধৰ্মক ঘিণ কৰা, পৰক হিংসা কৰা আদি কামৰ পৰা আঁতৰি থাকিলেহে পৰৰ মৰম আৰু আশীৰ্বাদ পোৱা যায়। কবিয়ে নিজৰ মৃত্যুৰ সময়তো আনৰ মৰম আৰু আশীৰ্বাদ বিচৰা কাৰ্যই আমি যে সমাজত ভাল কাম কৰিব লাগে আৰু সমাজৰ নিন্দনীয় ব্যক্তি হ'ব নালাগে সেই নীতি শিক্ষক দিব বিচাৰিছে।

নিজৰ উন্নতি সাধন কৰিবলৈ আমি কেনেধৰণৰ কাম-কাজ কৰিব লাগিব সেই বিষয়ে নীতি শিক্ষা মূলক অনেক সাধুকথা আমাৰ সমাজত প্ৰচলিত আছে। লোক-সাহিত্যৰ সমলেৰে সমৃদ্ধ বেজবৰুৱাৰ 'কদমকলি' কবিতা পুথিত উন্নতি বিষয়বস্তুৰ দুটি কবিতা

আছে। এটা হ'ল 'উন্নতিৰ সঁচাৰকাঠি' আৰু আনটো 'উন্নতিৰ জখলা'। উন্নতি কৰিবলৈ চমু বাট নাথাকে। থাকে দীৰ্ঘদিনৰ শ্ৰম আৰু কষ্টৰ, একানপতীয়া সাধনাৰ এক অবিৰত যাত্ৰা।

জীৱনৰ বহুদৰ্শিতাই দিছে মোক সুবুদ্ধি পৰম,
বৰ হোৱা বুধিৰ কিটিপ মাথোঁ জানো, অদম্য উদ্যম
খামি পুতি সংকল্প কৰি, মৃত্যু নতু বিজয়সাধন
এই কথা সাৰোগত কৰি লভাঁ তুমি বিজয় ৰতন। (উন্নতিৰ সঁচাৰকাঠি) [বৰা ৬৯]

জীৱনত বিজয় ৰতন পাবলৈ হ'লে, বৰ হ'বৰ বাবে এটাই বুধি আছে-সেৱা হ'ল-অদম্য উদ্যম। উদ্যম নাথাকিলে কোনো কাৰ্যতেই সফল হ'ব নোৱাৰি। উদ্যমেই আনে কৰ্ম কৰাৰ স্পৃহা। কৰ্মস্পৃহা বৃদ্ধি হবলৈ হ'লে উদ্যম থাকিব লাগিব। উদ্যমে সৰু মানুহকো বৰ মানুহত পৰিণত কৰে।

দ্বিতীয়টি কবিতাত এনেয়ে কষ্ট নকৰাকৈ কোনোৱে যে উন্নতি কৰিব নোৱাৰে-সেই কথা অৱগত কৰিছে। কবিৰ মতে কোনো ব্যক্তি বিশেষে এনেয়ে উন্নতিৰ জখলাত উঠিছে বুলি ভাবিব নালাগে। আনে যেতিয়া টোপনি মাৰি আছিল তেতেয়াই তেওঁ কাম কৰিছিল। তেনে কৰিহে উন্নতি হৈছে।

উন্নতিৰ জখলাত তেওঁ
এনেই উঠিছে নাভাবিবা,
টোপনিত থাকোঁতেই তুমি
তেওঁ কাম কৰিছে জানিবা। (উন্নতিৰ জখলা) [বৰা ৬৯]

এই পৃথিৱীত প্ৰকৃত সুখ কি তাক উপলব্ধি কৰিবলৈ হ'লে কষ্ট কৰিব লাগিব। সুখ ওপৰতে অহা অনুভৱ নহয়। আজি যাক সুখী বুলি ভবা হৈছে; তেওঁ এদিন বহু কষ্ট কৰিছিল-যাৰ ফলত তেওঁ সুখৰ মুদ্ম দেখিছে। এয়া এক নীতিজ্ঞা। সুখ, সুখ বুলি কৈ ফুৰিলে সুখ পোৱা নাযায়। সুখৰ সংজ্ঞাও প্ৰত্যেকৰে বেলেগ বেলেগ। এদিন কষ্ট কৰাৰ ফলত লাভ কৰা সুখে মনত আনন্দ প্ৰদান কৰে। কবিয়ে তাকে ক'ব বিচাৰিছে এনেদৰে-

কাৰেঙৰ ৰজা আৰু জুপুৰিৰ প্ৰজা
কোনেও নুবুজে কিনো সুখ,
মূৰৰ ঘাম ভৰিত পেলাই,
যদি তেওঁ নাই কৰা দুখ। [বৰা ৭০]

কাৰেঙৰ ৰজায়েও সুখ পাবলৈ যুদ্ধ-বিগ্ৰহ কৰিব লগীয়া হয়; নিজৰ ৰাজকাৰেঙৰ সৌন্দৰ্য বৃদ্ধি, সুৰক্ষা, প্ৰজাৰ সুখৰ কাৰণেও এদিন কষ্ট কৰিবলগীয়া হয়।

কবিয়ে ক'ব বিচাৰিছে যিয়ে কাম কৰি থাকে, কামক গুৰুত্ব দিয়ে, সময়মতে নিজৰ কাম-কাজ কৰিব পাৰে- তেওঁৱেই সুখী হয় আৰু যিয়েই কেৱল কথা কয় ; কাম নকৰে তেওঁ কেতিয়াও সুখী নহয়, দুখহে পায়।

সুখী মই, - কামৰ অধীন
দুখী মই, -বক্তা কৰ্মহীন। (সুখীয়া আৰু দুখীয়া) [বৰা ৭০]

প্ৰকৃতি জগত নিয়মমতে চলে। নিয়মমতে চলে বাবেই জোন-বেলি ওলায়। আকাশৰ তৰা ওলায়। সময়ৰ কোনো হেৰ-ফেৰ নাই। অলপ সময়ৰ হেৰ-ফেৰ হ'লেই জগতত প্ৰলয়ৰ সূচনা হ'ব। প্ৰকৃতি জগত যদি নিয়মমতে চলিব পাৰে-মানুহে নোৱাৰে কিয়? মানুহো হ'ব লাগে কৰ্তব্য পৰায়ণ। আমি সকলো নিয়মৰ বান্ধোনত বান্ধ খাই আছোঁ। কবিৰ ভাষা--

জোন, বেলি, আকাশৰ তৰা
পোহৰায় নিয়মত ধৰা,
কৰ্তব্যক সেইদৰে তুমি
নিয়মিত কৰিবলৈ ধৰা। (নিয়মৰ বান্ধোন) [বৰা ৭১]

কৰ্মীজনৰ বাবে কামৰ সৰু-বৰ নাথাকে। সৰুৱেই হওঁক বা বৰেই হওঁক কাম-কামেই। সৰু কাম নকৰি ডাঙৰ কাম কৰিব বিচৰা সকলৰ প্ৰতি কবি বেজবৰুৱাই কৈছে--

সৰু কাম ঘিণ কৰা তুমি?
বৰলৈ তোমাৰ হেঁপাহ?
একো নকৰাহে অপমান
সৰু বৰ মনৰ বিকাশ। (মান-অপমান) [বৰা ৭১]

আমি মনত ৰখা ভাল-বেজবৰুৱাই 'কবিতা হয় যদি হওঁক, নহয় যদি নহওঁক' বুলিহে কবিতা ৰচনাত মনোনিৱেশ কৰিছিল। তেওঁৰ কাব্য চৰ্চা সাধনা বিহীন আছিল বুলিলে ভুল কৰা হ'ব। সাহিত্য সভাৰ সভাপতিৰ অভিভাষণত তেওঁৰ কাব্য চিন্তাৰ তলসূতীয়া সুৰৰ প্ৰতিধবনি শুনিবলৈ পোৱা যায়। 'কদমকলি'ৰ আটাই কেইটা কবিতাই উচ্ছ খাপৰ বুলি (বিষয়বস্তু আৰু আংগিকাৰ দিশৰ পৰা) ক'ব নোৱাৰি। 'মালতী', 'প্ৰিয়তমাৰ সৌন্দৰ্য', 'ভ্ৰম', 'বীণ আৰু বৰাগী', 'ধনবৰ-ৰতনী' আদি কেইটিমান কবিতা উচ্ছ পৰ্যায়ৰ। নীতি উপদেশ মূলক কবিতাখিনি প্ৰায়ে উদ্দেশ্যধৰ্মী হোৱাৰ বাবে ভাৱ আৰু বিষয়ৰ পুনৰুক্তি হোৱা দেখিবলৈ পোৱা গৈছে। উদাহৰণস্বৰূপে কেইবাটাও কবিতাত 'কৰ্ম' বা 'কাম' মূল দিশ। ঠিক সেইদৰে 'সুখ', 'কষ্ট' কৰাৰ মানসিকতাকো তেওঁ বাৰে বাৰে কবিতাৰ

জৰিয়তে দাঙি ধৰিছে। 'এলাহ', 'উন্নতি', 'সৰু-বৰ' আদি বিষয়ক কবিতাবোৰ পদ্যৰ দৰে কেৱল কবিৰ বক্তব্য প্ৰকাশৰ বাবেই ৰচনা কৰা যেন ধাৰণা হয়। 'কদমকলি' যদিও শিশু উপযোগী কবিতা পুথি নহয়; তথাপিও শিশু, কিশোৰ বা চেমনীয়া, ডেকা সকলৰ প্ৰতি একো-একোপাট শৰ মাৰিছে-যি শৰে শিশু মনত বা ডেকাৰ মনত এখন্তেকলৈ হ'লেও ভাৱনাৰ জোৱাৰ তুলিব, চিন্তাত পৰিব। "মই বিচৰাখিনি শুদ্ধনে, সহজে হ'ব বুলি ভাবিলে হ'বনে, আনৰ প্ৰতি ব্যৱহাৰ যেনে কৰোঁ ময়ো তেনে ব্যৱহাৰেই পাম, সাহ কৰিলে, আশা ৰাখি আগুৱাই গ'লে এদিন সফল হ'মেই" ইত্যাদি দিশ মনলৈ অহাৰ ফলত নতুন চামৰ মনত নৈতিকতাৰ কথা আহি পৰিব। নীতিজ্ঞান সাধুৰ জৰিয়তেও দিব পাৰি। কিন্তু বেজবৰুৱাই দুশাৰী বা চাৰিশাৰীৰ কবিতাৰ মাজেদি সকলোৰে মনত থকাকৈ যিবোৰ নীতি-উপদেশ দিছিল-সেইবোৰ মানুহৰ মুখে মুখে প্ৰচলিত হৈছিল। 'ৰেণুকা' নামৰ কবিতাটোত সৰু সৰু ৭৮ টা কবিতা আছে। এই ৭৮ টা কবিতাই উপদেশ আৰু নীতি শিক্ষাৰ কবিতা। তাৰ মাজতে একো-একোটা চমৎকাৰিত্বপূৰ্ণ কাব্য গুণ সম্বন্ধীয় কবিতাও আছো। যেনে-

"প্ৰেমত ঘূৰিছে ভূমণ্ডল / প্ৰেমত ফুলিছে শতদল।"

"বাটৰ দূবৰিবন গচকত পৰা / তাৰো এটি পাতে আনে স্বৰ্গৰ বতৰা।" [বৰা ৮৪]

"পুৰিলে উজ্জ্বল হয় সোণৰ বৰণ, / বিপদত পোৱা যায় বন্ধুৰ চিনন।" [বৰা ৭৮]

লক্ষ্মীনাথ বেজবৰুৱা শঙ্কৰ-মাধৱ গুৰু-দুজনাৰ প্ৰতি কৃত: আছিল। তেৰাসৱৰ সাহিত্যৰ অমৃত মন্থন কৰি সৰ্বসাধাৰণৰ মাজত সহজ-সৰলকৈ বুজাই দিয়াৰ মানস কৰিছিল। বেজবৰুৱাই উপলব্ধি কৰিছিল গুৰুদুজনাৰ অমৰ সৃষ্টি ৰাজিৰ মহাত্ম্য। 'ৰেণুকা' নামৰ কেইবাটাও কবিতাৰ (স্বতন্ত্ৰ) মাজত গীতাৰ পোনপটীয়া প্ৰভাৱ মন কৰিবলগীয়া দিশ। গীতাৰ মূল দিশ হৈছে -আধ্যাত্মিকতা। নৈতিকতাৰ প্ৰশ্ন বাবে বাৰে উত্থাপন হোৱা গীতাৰ দ্বাৰা প্ৰভাৱিত দুটিমান কবিতাৰ উদাহৰণ দিলে কথাষাৰ স্পষ্ট হ'ব।

"ভকতি বিশ্বাস মাথোঁ ঈশ্বৰক দিবা, / কতৰ্ব্য কামৰ ফল চাই নুফুৰিবা।" [বৰা ৭৯]

"ঈশ্বৰত অৰ্পি চিন্তা, দুখ, শোক, তাপ / গোঁজ পুতি নাও বান্ধা, নাথাকে সন্তাপ।" [বৰা ৮১]

"সুফল নাপালা বুলি নিৰাশ নহ'বা, / আহিব এদিন সি নিয়ে জানিবা।
কৰ্মফল আশলই নকৰিবা মন, / ঈশ্বৰক সমৰ্পিবা ফল আৰু বন।
কাম কৰিবৰ তোমাৰ অধিকাৰ আছে, / ফলদান ঈশ্বৰেহে হাতত ৰাখিছে।" [বৰা ৮২]

নীতি শিক্ষাৰ এটি মূল দিশ হ'ল চৰিত্ৰবান কৰি ব্যক্তিক গঢ় দিয়া। সুচৰিত্ৰ ব্যক্তিৰ ভূষণ সদৃশ। চৰিত্ৰবান লোকে সমাজত মান-সন্মান, আদৰ এই সকলোবোৰ লাভ কৰে। কবিৰ মতে সুচৰিত্ৰই ব্যক্তিৰ মুখ পোহৰাই তোলে-

"পুণ্য কাম সঁচাসঁচি সুখ, / সুচৰিত্ৰে পোহৰায় মুখ।" [বৰা ৮৩]

ক্ষমাৰ মহত্ব, বন্ধুত্ব, সজকাম, সজ-চিন্তা, ধীৰ-স্থিৰ হোৱা, ঈশ্বৰ আৰু মানুহৰ প্ৰতি ভক্তি মনোভাৱ, কম কথা কোৱাজনৰ গুৰুত্ব, ধৈৰ্য ধৰিব পৰা গুণ, আশাবাদী হোৱা, প্ৰকৃত প্ৰেমৰ মহত্ব ইত্যাদি বিষয়বস্তুৰে সমৃদ্ধ ৰেণুকাৰ কবিতাসমূহে আমাক নীতিজ্ঞান প্ৰদান কৰাৰ লগতে সমাজত মানৱতা বজাই ৰাখি জীয়াই থকাৰ প্ৰকৃত আনন্দ ল'বৰ বাবে কবিয়ে আমাক আহ্বান জনাইছে। দুটিমান উদাহৰণ-

"ক্ষমা কৰা, ক্ষমা পাবা তুমি, / ভাল কৰা হ'বা ঊধবৰ্গামী।" [বৰা ৭৬]

"প্ৰকৃত বন্ধুতা ঠিক পবিত্ৰ বান্ধোন, / অসময় বিপদত বাঢ়ে তাৰ গুণ।" [বৰা ৮৪]

"যথাসাধ্য সজ কাম যতনে কৰিবা, / নফলিল অতিকৈ; নিৰাশ নহ'বা।" [বৰা ৮৪]

"সকলোকে প্ৰেম দিয়া, অল্পক বিশ্বাস, / সপোনতো নিচিন্তিবা কাৰো সৰ্বনাশ।" [বৰা ৮২]

"গোলাপে শুৱায় সুন্দৰ ফুলনি / প্ৰেমে শুৱায় মানুহৰ জীৱনী।
সাৰ মনৰ কাম গুনি মাত' / অসাৰৰ ঢোল দিন-ৰাতি।" [বৰা ৮৭]

**উপসংহাৰ**

উল্লিখিত আলোচনাৰ পৰা দেখা যায় যে লক্ষ্মীনাথ বেজবৰুৱাৰ 'কদমকলি' কবিতা পুথিত সন্নিবিষ্ট ভালেসংখ্যক কবিতাত নীতি-উপদেশৰ প্ৰতিধ্বনি শুনিবলৈ পোৱা যায়। প্ৰতিটো কবিতা যে পাগত উঠিছে সেয়া নহয়; কিন্তু কবিতাৰে সমাজলৈ নীতি-শিক্ষাৰ বাণী বিয়পাই দিব বিচৰাৰ দৰে মহৎ কাম এটা বেজবৰুৱাই আৰম্ভ কৰিছিল আৰু সেই দিশৰ পৰা অনেক চুটি, সাৰগৰ্ভ থকা কবিতা তেওঁ সৃষ্টি কৰিলে। আংগিক আৰু বিষয়বস্তু প্ৰায় একে হ'লেও প্ৰতিটো কবিতাৰ জৰিয়তে একো-একোটি বাণী প্ৰেৰণ কৰিব বিচৰাটো গুৰুত্বপূৰ্ণ দিশ। আমাৰ মনত প্ৰশ্ন উদয় হোৱা অতি স্বাভাৱিক প্ৰিয়তমাৰ সৌন্দৰ্য, মালতী বীণ আৰু বৰাগী আদিৰ দৰে উৎকৃষ্ট কবিতা ৰচনা কৰা ব্যক্তিজনে কিয় কাব্যগুন ৰহিত নীতি উপদেশমূলক কবিতা সৃষ্টিত মনোনিৱেশ কৰিলে? গভীৰ স্বদেশ প্ৰেম আৰু উত্তৰ প্ৰজন্মৰ বাবে প্ৰয়োজনীয় দিহা-পৰামৰ্শ দিয়াৰ মনোভাৱৰ ফলতে বেজবৰুৱাই (কবিতা অথবা পদ্য যি বুলিয়েই অভিহিত নকৰো কিয়) এনেধৰণৰ কবিতা সৃষ্টিত মনোনিৱেশ কৰিছিল। কবিতা যদি স্বতস্ফুৰ্ত আৱেগৰ বৰ্হি প্ৰকাশ তেনেহ'লে বেজবৰুৱাই সুযোগ আৰু সুবিধা পালেই উপদেশ আৰু নীতিশিক্ষা মূলক কবিতা ৰচনা কৰিছিল। তেওঁ উপলব্ধি

কৰিছিল মেৰুদণ্ড পোণ কৰি থাকিবলৈ; জীয়া জাতিৰ নাগৰিক হিচাপে পৰিচয় দিবলৈ হ'লে নীতি শিক্ষাৰ পোতন থকাটো প্ৰয়োজন।

**শেষ টোকা**

১. হেম বৰা । ৰমন্যাসবাদঃ অসমীয়া কবিতা আৰু কুৰিজন প্ৰধান কবি। পৃ ১০২

২. জ্যোতিমালা গোহাঁই ফুকন।  অসমীয়া ৰমন্যাসিক সাহিত্য। পৃঃ ৯৫

৩. নিত্য বৰা। (সম্পা)। বেজবৰুৱা ৰচনাৱলী [দ্বিতীয় খণ্ড]। পৃঃ ৬৭

**গ্ৰন্থপঞ্জী**

বৰা, হেম । ৰমন্যাসবাদঃ অসমীয়া কবিতা আৰু কুৰিজন প্ৰধান কবি। গুৱাহাটীঃ ষ্টুডেন্টচ ষ্ট'ৰচ্, ২০১৩। প্ৰকাশিত।

গোহাঁই, ফুকন জ্যোতিমালা। অসমীয়া ৰমন্যাসিক সাহিত্য (খ্ৰীঃ ১৮৯০-১৯৪০)। শিৱসাগৰঃ ৰূপান্তৰ প্ৰকাশন, । প্ৰকাশিত ।

বৰা, নিত্য। (সম্পা)। বেজবৰুৱা ৰচনাৱলী (দ্বিতীয় খণ্ড)। গুৱাহাটীঃ অসম প্ৰকাশন পৰিষদ,। প্ৰকাশিত ।